**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। অসম, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন।

২। দেশৰ ১৬ কোটিতকৈও অধিক পৰিয়াললৈ নলযোগে পানী যোগানৰ ব্যৱস্থা কৰা হৈছে বুলি কেন্দ্ৰীয় জল শক্তি দপ্তৰৰ মন্ত্ৰী চি আৰ পাটিলে প্ৰকাশ কৰিছে।

৩। শ্বহীদ দিৱস উপলক্ষে দেশবাসীয়ে মহান স্বাধীনতা সংগ্ৰামী ভগত সিং, ৰাজগুৰু আৰু সুখদেৱৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

৪। সংসদত উত্থাপিত কৰ্পোৰেট আইন সংশোধনী বিধেয়কখন অধিক পৰীক্ষণৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰা হৈছে।

আৰু

৫। অৰুণাচল প্ৰদেশৰ পেৰা এথলীট কিপা মেৰ'ৰে ২৪ সংখ্যক ৰাষ্ট্ৰীয় পেৰা এথলেটিকছত মহিলাৰ জেভলিন থ্ৰ'ত সোণৰ পদক অৰ্জন কৰিছে।

০০০০০০০

অসম, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। অহা ৯ এপ্ৰিলত দুয়োখন ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলটোত একেটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব। কাইলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। অহা ২৬ মাৰ্চ হৈছে প্ৰাৰ্থিত্ব প্ৰত্যাহ্বাৰৰ অন্তিম দিন। তামিলনাডুত অহা ২৩ এপ্ৰিলত একেটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব। পশ্চিমবংগত অহা ২৩ আৰু ২৯ এপ্ৰিলত দুটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। পশ্চিমবংগৰ প্ৰথম পৰ্যায় তথা তামিলনাডুৰ নিৰ্বাচনৰ অধিসূচনা অহা ৩০ মাৰ্চত জাৰি কৰা হ'ব। পশ্চিমবংগৰ দ্বিতীয় পৰ্যায়ৰ বাবে অহা ২ এপ্ৰিলত অধিসূচনা জাৰি কৰা হ'ব। চাৰিওখন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলটোত অহা ৪ মে'ত ভোটগণনা কৰা হ'ব। উল্লেখযোগ্য যে, ১২৬ জনীয়া অসম বিধানসভাৰ কাৰ্যকাল অহা ২০ মে'ত আৰু ১৪০ জনীয়া কেৰালাম বিধানসভাৰ কাৰ্যকাল অহা ২৩ মে'ত অন্ত পৰিব। পুডুচেৰীৰ ৩০ জনীয়া বিধানসভাৰ কাৰ্যকাল অহা ১৫ জুনত অন্ত পৰিব। আনহাতে, তামিলনাডুৰ ২৩৪ জনীয়া বিধানসভাৰ কাৰ্যকাল অহা ১০ মে'ত আৰু পশ্চিমবংগৰ ২৯৪ জনীয়া বিধানসভাৰ কাৰ্যকাল অহা ৭ মে'ত অন্ত পৰিব।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিলৰ অন্তিম দিন। বিভিন্ন জিলাত ইতিমধ্যে ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকল মনোনয়ন পত্ৰ দাখিলৰ বাবে সমদল কৰি জিলা আয়ুক্ত কাৰ্যালয় অভিমুখে ৰাওনা হৈছে। প্ৰাৰ্থীসকলে বিয়লি ৩ বজা পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁৱত মিত্ৰদল অসম গণ পৰিষদৰ কলিয়াবৰ সমষ্টিৰ প্ৰাৰ্থী কেশৱ মহন্তৰ মনোনয়ন সমাৰেশত অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰীয়ে বোকাখাত সমষ্টিৰ বাবে অগপৰ প্ৰাৰ্থী অতুল বৰাৰ মনোনয়নৰ দাখিলৰ যাত্ৰাত অংশ লৈছে।

কামৰূপ মহানগৰ জিলাৰ ৫ টা বিধানসভা সমষ্টিৰ বাবে আজি বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকল মনোনয়ন দাখিলৰ বাবে ৰাওনা হৈছে। বিজেপিৰ দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈ, মধ্য গুৱাহাটীৰ প্ৰাৰ্থী বিজয় গুপ্তা, নিউ গুৱাহাটীৰ প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মা আৰু মিত্ৰদল এ জি পিৰ ডিমৰীয়া সমষ্টিৰ প্ৰাৰ্থী ডº তপন দাসে আজি মনোনয়ন পত্ৰ দাখিল কৰিব। ইপিনে, দিছপুৰ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰ, নিউ গুৱাহাটীৰ প্ৰাৰ্থী শান্তনু বৰা, ডিমৰীয়াৰ প্ৰাৰ্থী কিশোৰ কুমাৰ বৰুৱা, জালুকবাৰীৰ প্ৰাৰ্থী বিদিশা নেওগ তথা এ জে পিৰ মধ্য গুৱাহাটীৰ প্ৰাৰ্থী কুংকী চৌধুৰীয়ে মনোনয়ন দাখিল কৰিব। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰব গগৈয়ে আজি যোৰহাটত মনোনয়ন পত্ৰ দাখিল কৰিব। অখিল গগৈ আৰু লুৰিণজ্যোতি গগৈয়ে তেওঁক সংগ দিব।

টিংখঙত বিজেপিৰ প্ৰাৰ্থী বিমল বৰাই, নাহৰকটীয়াত তৰংগ গগৈয়ে মনোনয়ন দাখিল কৰিব। নলবাৰী জিলাৰ ৩ টা বিধানসভা সমষ্টি - নলবাৰী, টিহু আৰু বৰক্ষেত্ৰীৰ বাবে বিজেপি আৰু বিৰোধী কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলে আজি মনোনয়ন পত্ৰ দাখিল কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলাখনত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলাৰ লগতে যাতায়াত নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হৈছে।

মনোনয়ন দাখিলৰ অন্তিম দিনাৰ বাবে জিলা প্ৰশাসনসমূহেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

oooooooo

নাগালেণ্ডৰ ক'ৰিডাং বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ আজি অন্ত পৰিব। কাইলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ২৬ মাৰ্চ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন। অহা ৯ এপ্ৰিলত সমষ্টিটোৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ৪ মে'ত ভোটগণনা কৰা হ'ব।

ooooooooo

পশ্চিমবংগত বিশেষ পুংখানুপুংখ সংশোধনীৰ পাছত পৰিপূৰক ভোটদাতাৰ তালিকা আজি প্ৰকাশ কৰা হ'ব। এই তালিকাত নথি-পত্ৰ সম্পূৰ্ণৰূপে পৰীক্ষা-নিৰীক্ষা কৰা ভোটদাতাসকলৰ নাম সন্নিবিষ্ট থাকিব। নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে ২৭ লাখ বিবেচনাধীন হৈ থকা ভোটদাতাৰ ওজৰ-আপত্তি গ্ৰহণ কৰি প্ৰতিদিনে ২ লাখকৈ নাম অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া সম্পন্ন হৈছে। আজিৰ তালিকা প্ৰকাশ হোৱাৰ পাছতে ভোটদাতাসকলে অনলাইন মাধ্যমেৰে, নিৰ্বাচন আয়োগৰ এপ্লিকেচনযোগে নাইবা আয়োগৰ ৱেবছাইটযোগে আবেদন কৰিব পাৰিব। ইপিনে, নিৰ্বাচন আয়োগে আজি পশ্চিমবংগত জিলা নিৰ্বাচনী বিষয়া, আৰক্ষী আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত এখন বৈঠকত মিলিত হ'ব।

ooooooooo

ইন্ধনৰ ব্যাপক নাটনিৰ পৰিপ্ৰেক্ষিতত বাংলাদেশৰ পেট্ৰ'ল পাম্পসমূহ যিকোনো সময়তে বন্ধ কৰি দিবলগীয়া হ'ব পাৰে বুলি দেশখনৰ পেট্ৰ'ল পাম্পৰ গৰাকীসকলে আশংকা প্ৰকাশ কৰিছে। সাম্প্ৰতিক ঈদৰ বন্ধৰ সময়ছোৱাত প্ৰকাশ পোৱা এনে আশংকাক কেন্দ্ৰ কৰি উপভোক্তাসকলৰ মাজত উদ্বেগৰ সৃষ্টি হৈছে। Bangladesh Petrol Pump Owners' Association নামৰ সংস্থাটোৱে কালি প্ৰকাশ কৰা এটা বিবৃতিত বৰ্তমানৰ পৰিস্থিতিক অত্যধিক উদ্বেগজনক বুলি অভিহিত কৰি কয় যে চাহিদাৰ তুলনাত তেল কোম্পানীসমূহে দৈনিক অতিশয় কম পৰিমাণৰ ইন্ধন যোগান ধৰি আহিছে। ইয়াৰ ফলত ঠায়ে ঠায়ে

নিৰ্দিষ্ট কেন্দ্ৰসমূহত দীঘলীয়া শাৰী দেখিবলৈ পোৱাৰ লগতে ঢাকাকে ধৰি ভিন ভিন ঠাইত বহুকেইটা পেট্ৰ'ল পাম্প বন্ধ কৰি দিবলগীয়া পৰিস্থিতিৰো উদ্ভৱ হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় জল শক্তি দপ্তৰৰ মন্ত্ৰী চি আৰ পাটিলে আজি কয় যে দেশৰ ১৬ কোটিতকৈও অধিক পৰিয়ালৰ বাসগৃহলৈ জল জীৱন অভিযানৰ অধীনত নলযোগে পানী যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। নতুন দিল্লীত অনুষ্ঠিত ২০২৬ বৰ্ষৰ বিশ্ব জল দিৱস অভিৱৰ্তনৰ উদ্বোধনী ভাষণত তেওঁ এই কথা প্ৰকাশ কৰে। এই অভিৱৰ্তন, পানীৰ সংৰক্ষণ তথা দীৰ্ঘস্থায়ী ব্যৱস্থাপনা সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱা আৰু মতামত বিনিময়ৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে পৰিগণিত হ'ব বুলি শ্ৰীপাটিলে মত প্ৰকাশ কৰে। নমামী গংগে অভিযানৰ লেখিয়া ব্যৱস্থাসমূহৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে নৈৰ পানী পৰিস্কৰণৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতাকো দোহাৰে। তেওঁ লগতে পানীৰ সংৰক্ষণ আৰু মজুতকৰণৰ অভ্যাস গঢ়ি তুলিবলৈ জনসাধাৰণক আহ্বান জনায়।

উল্লেখযোগ্য যে দীৰ্ঘস্থায়ী জল ব্যৱস্থাপনাৰ ক্ষেত্ৰত আলাপ-আলোচনা, উদ্ভাৱন আৰু সহযোগিতাৰ বিষয়ত বিশ্ব জল দিৱস অভিৱৰ্তন ৰাষ্ট্ৰীয় মঞ্চ হিচাপে পৰিগণিত হৈ আহিছে। এই ক্ষেত্ৰত প্ৰযুক্তিনিৰ্ভৰ সমাধানৰ পথ উদ্ভাৱনৰ হকে মত-বিনিময়ৰ বাবে এই অভিৱৰ্তনে নীতি-নিৰ্ধাৰণকাৰী, উদ্যোগ আৰু শৈক্ষিক খণ্ডৰ গুৰুত্বপূৰ্ণ ব্যক্তিসকল, ষ্টাৰ্টআপ, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মধ্যমীয়া, উদ্যোগ খণ্ড আৰু যুৱ উদ্ভাৱনকাৰীসকলক একগোট কৰি আহিছে।

০০০০০০০০০

শ্বহীদ দিৱস উপলক্ষে আজি সমগ্ৰ দেশবাসীয়ে মহান স্বাধীনতা সংগ্ৰামী ভগত সিং, ৰাজগুৰু আৰু সুখদেৱৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। ব্ৰিটিছ শাসনৰ বিৰুদ্ধে পৰম বীৰত্বৰে যুঁজ দিয়া এই স্বাধীনতা সংগ্ৰামীকেইজনক এগৰাকী ব্ৰিটিছ আৰক্ষী বিষয়াক হত্যা কৰাৰ অপৰাধত ১৯৩১ চনৰ এই দিনটোতে ফাঁচী দিয়া হৈছিল। লোকসভা আৰু ৰাজ্যসভাই আজি মহান স্বাধীনতা যুঁজাৰু তথা বিপ্লৱী কেইগৰাকীলৈ শ্বহীদ দিৱস উপলক্ষে শ্ৰদ্ধা জনাইছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে অতি কম বয়সতে এই সাহসী যুৱককেইজনে দেশৰ স্বাধীনতাৰ বাবে যুঁজ দি পৰম ত্যাগ কৰিছিল। শ্ৰীবিৰলাই কয় যে তেওঁলোকৰ সাহস, বীৰত্ব আৰু অতুলনীয় দেশপ্ৰেমে এখন মুক্ত আৰু শক্তিশালী ভাৰতৰ ভেটি গঢ়ি থৈ গৈছে। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে কয় যে তেওঁলোকৰ এই ত্যাগ কেৱল দেশৰ স্বাধীনতা আন্দোলনৰ ইতিহাসৰ এটা পৃষ্ঠাই নহয়, বৰঞ্চ এয়া হৈছে ঔপনিবেশিক শাসনৰ বিৰুদ্ধে কোটি কোটি ভাৰতীয়ক ঐক্যবদ্ধভাৱে জগাই তোলাৰ এটা নিৰ্ণায়ক মুহূৰ্ত।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে অতি কম বয়সতে তেওঁলোকে ভাৰতৰ স্বাধীনতাৰ বাবে অসীম বীৰত্বৰে থিয় দিছিল। তেওঁলোকৰ ন্যায় আৰু দেশপ্ৰেমৰ আদৰ্শই আজিও দেশবাসীক অনুপ্ৰাণিত কৰে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইও শ্বহীদ দিৱস উপলক্ষে ভাৰতভূমিৰ বীৰ সন্তান কেইগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে।

০০০০০০০০০

সংসদত উত্থাপিত কৰ্পোৰেট আইন সংশোধনী বিধেয়কখন অধিক পৰীক্ষণৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰা হৈছে। লোকসভাত আজি বিধেয়কখন উত্থাপন কৰাৰ পাছত বিত্ত মন্ত্ৰী নিৰ্মলা

সীতাৰমনে বিস্তৃত বিশ্লেষণৰ বাবে ইয়াক যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰাৰ প্ৰস্তাৱ কৰাত সদনে ইয়াৰ প্ৰতি সমৰ্থন ব্যক্ত কৰে। উল্লেখযোগ্য যে এই বিধেয়কখনৰ জৰিয়তে সীমিত দায়বদ্ধতা অংশীদাৰিত্ব আইন ২০০৮ আৰু কোম্পানী আইন ২০১৩ৰ সংশোধন কৰিবলৈ বিচৰা হৈছে।

ইয়াৰ পূৰ্বে কংগ্ৰেছ সাংসদ মনীষ তিৱাৰী, টি এম চিৰ সৌগত ৰায় আৰু ডি এম কে দলৰ ড০ টি সুমাতিকে ধৰি বিৰোধী পক্ষৰ সাংসদসকলে বিধেয়কখনৰ বিৰোধিতা কৰে। আইনখনৰ প্ৰস্তাৱিত সংশোধনীয়ে কৰ্পোৰেটৰ সামাজিক দায়বদ্ধতাৰ সামগ্ৰিক বিষয়টোক লঘু কৰা বুলি তেওঁলোকে অভিযোগ উত্থাপন কৰে। আনহাতে বিত্ত মন্ত্ৰীগৰাকীয়ে তেওঁলোকৰ অভিযোগ অগ্ৰাহ্য কৰি কয় যে ইয়াৰ ফলত বিনিয়োগৰ পৰিমাণ বৃদ্ধি হোৱাৰ লগতে বৃহৎ প্ৰতিষ্ঠানসমূহকো নিয়ন্ত্ৰণ কৰিব পৰা হ'ব।

০০০০০০০০০

আজি বিশ্ব ভালুক দিৱস। ভালুকৰ অবৈধ বেপাৰ ৰোধ তথা  ক্ৰমাগতভাৱে হ্ৰাস পাই অহা ইয়াৰ বাসস্থান সংৰক্ষণৰ জৰিয়তে আঠোটা প্ৰজাতিৰ ভালুকৰ সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে ২৩ মাৰ্চ দিনটো বিশ্ব ভালুক দিৱস হিচাপে পালন কৰি অহা হৈছে। এই দিৱসৰ জৰিয়তে জলবায়ু পৰিৱৰ্তন আৰু বনাঞ্চল ধবংসৰ ফলত এই প্ৰাণীবিধৰ জীৱনলৈ অহা ভাবুকিৰ প্ৰতি সকলোকে সজাগ কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০০০০

অৰুণাচল প্ৰদেশৰ পেৰা এথলীট কিপা মেৰ'ৱে ২৪ সংখ্যক ৰাষ্ট্ৰীয় পেৰা এথলেটিকছৰ এফ-টুৱেল্ভ শাখাৰ মহিলাৰ জেভলিন দলিওৱা প্ৰতিযোগিতাত সোণৰ পদক অৰ্জন কৰিছে। ওড়িশাৰ ভূৱনেশ্বৰত অনুষ্ঠিত এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি তেওঁ নিষ্ঠা আৰু একাগ্ৰতাৰ জৰিয়তে অৰ্জন কৰা এই সাফল্যৰে নিজেই সৃষ্টি কৰা পূৰ্বৰ ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰিছে। মহিলাৰ ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতাৰ টি-থাৰ্টিন শাখাত তেচী মেটাই ৰূপৰ পদক লাভ কৰে।

০০০০০০০

সমাপ্ত